**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-11-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন্যপ্ৰাণী সুৰক্ষাৰ বাবে নিৰ্মাণ কৰিবলগীয়া এলিভেটেড কৰিড'ৰ অৰ্থাৎ উদ্যানখনৰ ওপৰেৰে যোৱা পথৰ কাম ক্ষিপ্ৰতাৰে কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে। কালি সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বি আৰ গোৱাই আৰু কে বি বিশ্বনাথনৰ দ্বাৰা গঠিত এখন খণ্ড বিচাৰপীঠে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সৈতে জড়িত এটা গোচৰৰ শুনানি গ্ৰহণ কৰি ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণত প্ৰকল্পটোক অগ্ৰাধিকাৰ ভিত্তিত সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে। প্ৰস্তাৱিত ৩৪ কিলোমিটাৰ এলিভেটেড কৰিড'ৰটোক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী, বিশেষকৈ এটা খড়্গযুক্ত গঁড়ৰ বাবে অতিকৈ প্ৰয়োজনীয় বুলি ন্যায়ালয়ে উল্লেখ কৰে। এই পৰিপ্ৰেক্ষিতত কম সময়ৰ ভিতৰতে প্ৰকল্পটো ৰূপায়ণ কৰাৰ বাবে নিৰ্দেশ প্ৰদান কৰে। ৰাজ্য চৰকাৰে কালি আদালতত এলিভেটেড কৰিড'ৰটোক লৈ এখন প্ৰতিবেদন দাখিল কৰে। প্ৰতিবেদনত উল্লেখ কৰা মতে প্ৰস্তাৱিত এলিভেটেড কৰিড'ৰটোত বন্যপ্ৰাণীৰ বাবে থাকিব বিশেষ সুৰংগ। বন্যপ্ৰাণীসমূহে সুৰংগসমূহেৰে নিৰ্বিঘ্নে পথ অতিক্ৰম কৰিব পাৰিব বুলিও প্ৰতিবেদনত উল্লেখ কৰা হয়। শুনানিকালত উদ্যানখনৰ দক্ষিণ দিশে হোৱা অবৈধ খনন ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰ সফল হোৱাত আদালতে সন্তুষ্টি প্ৰকাশ কৰে।

oooooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটী খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। নুনমাটিৰ পৰা আমবাৰীলৈকে উৰণ সেতুৰ নিৰ্মাণৰ কাম চলি থকাৰ বাবে চানমাৰিত হৈ থকা যান-জঁটৰ পৰিপ্ৰেক্ষিতত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰিবৰ্তে বিকল্প স্থান হিচাপে খানাপাৰাত এইবাৰৰ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব বুলি প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এটা বিবৃতিযোগে জানিবলৈ দিছে। ২৬ জানুৱাৰীৰ গণ্যৰাজ্য দিৱসৰ কাৰ্যসূচীৰ বাবে নিৰাপত্তাজনিত কাৰণত খেলপথাৰখন ব্যৱহাৰৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হৈছিল যদিও শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ তৎপৰতাত খেলপথাৰখনত গ্ৰন্থমেলা অনুষ্ঠিত কৰিবলৈ অনুমতি লাভ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত গৃহ বিভাগে পূৰ্বৰ নিৰ্দিষ্ট সময়তকৈ দুটা দিন আগুৱাই গ্ৰন্থমেলাখন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰে।

প্ৰকাশন প্ৰতিষ্ঠান তথা অন্যান্য বিপণীৰ বাবে ইতিমধ্যে আবেদন পত্ৰ মুকলি কৰা হৈছে। গুৱাহাটীৰ বামুণীমৈদামত থকা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় তথা পাণবজাৰৰ যশৱন্ত পথৰ সৰস্বতী মাৰ্কেটত থকা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ কাৰ্যালয় আৰু www.publicationboardassam.com ৱেবছাইটৰ পৰা আবেদন সংগ্ৰহ কৰিব পাৰিব। সংগৃহীত আবেদন পত্ৰসমূহ পূৰণ কৰি অহা ৩ ডিচেম্বৰৰ ভিতৰত জমা দিব লাগিব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি অসমৰ লগতে দেশ-বিদেশৰ বহুকেইটা আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে ইতিমধ্যে অসম গ্ৰন্থমেলা, গুৱাহাটীত অংশগ্ৰহণৰ বাবে যোগাযোগ কৰিছে। উল্লেখযোগ্য যে উৰণ সেতু নিৰ্মাণৰ বাবে চানমাৰিত হৈ থকা।

০০০০০০০

৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ কালি গোৱাৰ পানাজীত আৰম্ভ হৈছে। অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ ছবি প্ৰদৰ্শন আৰম্ভ হয়। কালি বিয়লি ৫ বজাত পানাজীৰ শ্যামাপ্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত জাকজমকতাপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই মহোৎসৱে ভাৰতত চলচ্চিত্ৰ উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সম্প্ৰতি দেশত বহুলোক উদ্ভাৱনীমূলক বিষয়ৰ সৃষ্টিৰ দ্বাৰা আগবাঢ়ি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ভাৰতক ন-ন বিষয় উদ্ভাৱনৰ দ্বাৰা কণ্টেণ্ট ক্ৰিয়েটৰ্ছ ইকোনমি হিচাপে বিকশাই তোলাৰ লক্ষ্য লোৱা হৈছে বুলি জানিবলৈ দিয়ে। এই অনুষ্ঠানতে **ৱেভছ** শীৰ্ষক প্ৰচাৰ ভাৰতীৰ OTT প্লেটফৰ্ম আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শিত হ'ব। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ ছবি প্ৰদৰ্শিত হ'ব।

০০০০০০০

ভাৰত আৰু গায়েনাই স্বাস্থ্য, হাইড্ৰ'কাৰ্বন, কৃষি আৰু আনুসংগিক খণ্ডসমূহত সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে তিনিখন চুক্তি স্বাক্ষৰ কৰিছে। দুয়োখন দেশে চিকিৎসা সামগ্ৰী, জন ঔষধী আঁচনি, সাংস্কৃতিক বিনিময় কাৰ্যসূচী গায়েনাইত ইউ পি আই প্ৰণালী আৰম্ভ কৰা আৰু প্ৰসাৰ ভাৰতী তথা গাযেনাৰ ৰাষ্ট্ৰীয় যোগাযোগ নেটৱৰ্কৰ মাজত প্ৰচাৰৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে কেইবাখনো বুজাবুজিৰ চুক্তিও সম্পাদন কৰে। ইয়াৰ উপৰি গায়েনাৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা প্ৰতিষ্ঠান আৰু গুজৰাটৰ প্ৰতিৰক্ষা বিশ্ববিদ্যালয়ৰ মাজতো এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গাযেনাৰ ৰাষ্ট্ৰপতি ড° মহম্মদ ইৰফান আলীৰ মাজত কালি সন্ধিয়া হোৱা প্ৰতিনিধি পৰ্যায়ৰ আলোচনাৰ অন্তত দুয়োখন দেশৰ মাজত এই চুক্তিসমূহ সম্পাদিত হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা যুটীয়া বিবৃতি যোগে কয়, যে ভাৰত আৰু গাযেনাই সকলো বিষয়ৰ সমাধানৰ বাবে আলোচনা আৰু কূটনীতিৰ সহায় লোৱা উচিত বুলি মতপোষণ কৰে। তেওঁ কয়, যে দুয়োখন দেশে গোলকীয় প্ৰতিষ্ঠানসমূহৰ সংস্কাৰ সময়ৰ আহ্বান হৈ পৰা বুলিও সহমত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে জলবায়ু ন্যায় দুয়োখন দেশৰ বাবে উমৈহতীয়া অগ্ৰাধিকাৰৰ বিষয় আৰু দেশ দুখনে সকলো ক্ষেত্ৰত প্ৰগতিৰ চেষ্টা অব্যাহত ৰাখিব।

গায়েনা আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁট, বিপৰ্যয় প্ৰতিৰোধী আন্তঃগাঁথনি জোঁট আৰু গোলকীয় জৈৱ ইন্ধন জোঁটৰ লেখীয়া ভাৰতে গ্ৰহণ কৰা বিভিন্ন উদ্যমৰ সৈতে জড়িত বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এনে ধৰণৰ সহযোগিতাই দুয়োখন দেশক সেউজ আৰু বহণক্ষম ভৱিষ্যতৰ প্ৰয়াস সুদৃঢ় কৰাত সহায় কৰিব।

গায়েনাৰ ৰাষ্ট্ৰপতি ড° মহম্মদ ইৰফান আলীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে হোৱা আলোচনাত অতিকৈ ফলপ্ৰসূ বুলি অভিহিত কৰে। এই আলোচনাই দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ লগতে সহযোগিতাৰে আঞ্চলিক আৰু গোলকীয় উদ্বেগ দূৰ কৰাৰ প্ৰতি থকা উমৈহতীয়া প্ৰতিশ্ৰুতি শক্তিশালী কৰি তুলিব। প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণে দুয়োখন দেশৰ মাজত সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত মাইলৰ খুঁটি ৰূপে পৰিগণিত হ'ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰে আৰু উন্নয়নশীল দেশসমূহৰ ক্ষেত্ৰত লোৱা নেতৃত্ব আৰু অৱদানৰ বাবে চেম্পিয়ন এমং লিডাৰ্ছ বুলি অভিধা প্ৰদান কৰে। পাছত প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি ইৰফান আলীয়ে মাতৃৰ

নামত এজোপা গছ উদ্যমৰ অধীনত জৰ্জটাউনত এটি গছ পুলি ৰোপণ কৰে। প্ৰধানমন্ত্ৰীয়ে আজি গায়েনাৰ সংসদক সম্বোধন কৰিব। তেওঁ লগতে গায়েনা আৰু কেৰিবীয় অঞ্চলৰ আগশাৰীৰ ক্ৰিকেট খেলুৱৈসকলৰ সৈতেও মত বিনিময় কৰিব। তেওঁ আজি দেশখনত বাস কৰা ভাৰতীয়মূলৰ লোকসকলৰ এটা সমাৱেশতো ভাষণ দিয়াৰ কথা আছে।

ooooo

**সমাপ্ত**